**29T ECON**

# 2019

# ECONOMICS

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

## Part A (ক - অংশ)

| | |
|---|---|
| *Q. No.* **1 (a – f )** *carries* **1** *mark each* | 1×6 = 6 |
| *Q. No.* **2 – 7** *carries* **2** *marks each* | 2×6 = 12 |
| *Q. No.* **8 –12** *carries* **4** *marks each* | 4×5 = 20 |
| *Q. No.* **13 & 14** *carries* **6** *marks each* | 6×2 = 12 |
| | Total = 50 |

## Part B (খ - অংশ)

| | |
|---|---|
| *Q. No.* **15 (a – f )** *carries* **1** *mark each* | 1×6 = 6 |
| *Q. No.* **16 – 21** *carries* **2** *marks each* | 2×6 = 12 |
| *Q. No.* **22 –26** *carries* **4** *marks each* | 4×5 = 20 |
| *Q. No.* **27 & 28** *carries* **6** *marks each* | 6×2 = 12 |
| | Total = 50 |
| Total (Part A & B) : | 50 + 50 = 100 |

*Contd.*

## PART–A / ক-অংশ

1. (a) Define the term scarcity as used in economics. 1
অৰ্থনীতিত ব্যৱহৃত দুষ্প্ৰাপ্যতাৰ ধাৰণাটোৰ সংজ্ঞা দিয়া।

(b) What is opportunity cost ? 1
সুযোগ ব্যয় কি ?

(c) If marginal utility of a commodity is higher than the price, then the consumer will buy more of the commodity. 1
*(Write true or false)*
যদি এটা দ্ৰব্যৰ প্ৰান্তিক উপযোগিতা দ্ৰব্যটোৰ দৰতকৈ অধিক হয়, তেন্তে উপভোক্তাই দ্ৰব্যটো ক্ৰয়ৰ পৰিমাণ বৃদ্ধি কৰিব। *(শুদ্ধ নে অশুদ্ধ লিখা)*

(d) What will be the effect of price change on supply of a commodity with perfectly inelastic supply ? 1
সম্পূৰ্ণ অস্থিতিস্থাপক যোগানসম্পন্ন এটা দ্ৰব্যৰ ক্ষেত্ৰত দৰ পৰিৱৰ্তনৰ প্ৰভাৱ কি হ'ব ?

(e) How will an increase in the price of inputs shift the supply curve ? 1
উপাদানসমূহৰ দৰ-বৃদ্ধিয়ে যোগান ৰেখাৰ কেনে স্থানান্তৰ সাধন কৰিব ?

(f) What is shut-down price ? 1
তলাবন্ধ দাম কি ?

2. Why the production possibility curve slopes downward from left to right ? 2
উৎপাদন সম্ভাৱনীয়তা ৰেখা কিয় বাওঁফালৰ পৰা সোঁফাললৈ নিম্নমুখী ঢালযুক্ত হয় ?

3. Give *two* reasons of a leftward shift in the demand curve. 2
চাহিদা ৰেখা বাওঁফালে স্থানান্তৰিত কৰাৰ *দুটা* কাৰণ উল্লেখ কৰা।

4. The price elasticity of demand of a commodity is 4 and the percentage change in price is 8. Find the percentage change in the quantity demanded. 2
এটা দ্ৰব্যৰ চাহিদাৰ দৰ স্থিতিস্থাপকতা 4 আৰু দৰৰ শতকৰা পৰিৱৰ্তন 8. চাহিদাৰ শতকৰা পৰিৱৰ্তন গণনা কৰা।

5. What is fixed factor ? Give *one* example. 1+1=2
স্থিৰ উপাদান কি ? *এটা* উদাহৰণ দিয়া।

6. What is meant by inelastic supply ? Draw an inelastic supply curve. 1+1=2

অস্থিতিস্থাপক যোগান কি ? এডাল অস্থিতিস্থাপক যোগান ৰেখা অংকন কৰা।

7. Mention *two* differences between monopoly and perfectly competitive market. 2

একচেটিয়া বজাৰ আৰু পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ *দুটা* পাৰ্থক্য উল্লেখ কৰা।

8. Distinguish between change in quantity demanded and change in demand. 4

চাহিদাৰ পৰিমাণৰ পৰিৱৰ্তন আৰু চাহিদাৰ পৰিৱৰ্তনৰ মাজৰ পাৰ্থক্য দেখুওৱা।

9. Mention the relationship between total utility and marginal utility. 4

মুঠ উপযোগিতা আৰু প্ৰান্তিক উপযোগিতাৰ মাজৰ সম্পৰ্ক উল্লেখ কৰা।

10. What is variable cost ? Why the average variable cost (AVC) curve becomes U shaped ? 1+3=4

পৰিৱৰ্তনশীল ব্যয় কি ? গড় পৰিৱৰ্তনশীল ব্যয় ৰেখা (AVC) কিয় U আকৃতিৰ ?

11. The production function of a firm is $Q = 2L^{\frac{1}{2}}.K^2$.

Find the amount required of factor $K$ if the firm wants to produce 200 units with available 16 units of factor $L$.

($Q$ = Output, $K$=Capital, $L$ = Labour) 4

এখন ব্যৱসায় প্ৰতিষ্ঠানৰ উৎপাদন ফলনটো হ'ল $Q = 2L^{\frac{1}{2}}.K^2$ । প্ৰতিষ্ঠানখনে প্ৰাচুৰ্য 16 একক $L$ উপাদানৰ প্ৰয়োগেৰে 200 একক দ্ৰব্য উৎপাদন কৰিব বিচাৰিলে প্ৰয়োজন হোৱা $K$-উপাদানৰ পৰিমাণ গণনা কৰা। ($Q$ = উৎপাদনৰ পৰিমাণ, $K$ = মূলধন, $L$= শ্ৰম)।

12. Mention the effects of the following on the supply of a commodity. 2+2=4

(*i*) Fall in the price of factors.

(*ii*) Rise in the per unit tax.

এটা দ্ৰব্যৰ যোগানৰ ওপৰত তলত উল্লেখ কৰা সমূহৰ প্ৰভাৱ উল্লেখ কৰা।

(*i*) উপাদানসমূহৰ দৰৰ হ্ৰাস।

(*ii*) প্ৰতি একক দ্ৰব্যত কৰ বৃদ্ধি।

13. Explain the Law of Variable Proportion with diagram. 6

চিত্ৰৰ সহায়ত পৰিৱৰ্তনশীল উপাদান বিধিটো ব্যাখ্যা কৰা।

*Or / অথবা*

The total fixed cost of a firm is Rs. 200. Fill in the blanks of the following table. 6

এখন প্ৰতিষ্ঠানৰ মুঠ স্থিৰ ব্যয়ৰ পৰিমাণ 200 টকা। তলৰ তালিকাখন সম্পূৰ্ণ কৰা।

| Output উৎপাদন | TC | AC | AVC | MC |
|---|---|---|---|---|
| 1 | – | – | 100 | – |
| 2 | 460 | – | – | – |
| 3 | – | 250 | – | – |
| 4 | – | – | – | 230 |

14. Explain the process of Long-run Equilibrium Price determination of perfectly competitive industry with diagram. 6

পূৰ্ণ প্ৰতিযোগিতামুলক উদ্যোগৰ দীৰ্ঘকালীন ভাৰসাম্য দৰ নিৰ্ধাৰণৰ প্ৰক্ৰিয়াটো চিত্ৰৰ জৰিয়তে ব্যাখ্যা কৰা।

*Or / অথবা*

Show the effects of change in demand of a commodity on equilibrium price, if 3+3=6

*(i)* the supply of the commodity is perfectly elastic

*(ii)* the supply of the commodity is perfectly inelastic.

এটা দ্ৰব্যৰ ভাৰসাম্য দৰৰ ওপৰত চাহিদা পৰিবৰ্তনৰ প্ৰভাৱ দেখুৱা যদিহে —

*(i)* দ্ৰব্যটোৰ যোগান পূৰ্ণ স্থিতিস্থাপক

*(ii)* দ্ৰব্যটোৰ যোগান পূৰ্ণ অস্থিতিস্থাপক।

## PART–B / খ-অংশ

15. *(a)* In what circumstances, the GDP of an economy can be equal to GNP ? 1

কি অৱস্থাত এখন দেশৰ GDP, GNP ৰ সমান হ'ব পাৰে?

*(b)* What is transfer payment ? 1

হস্তান্তৰিত পৰিশোধ কি ?

*(c)* What is voluntary unemployment ? 1

স্বেচ্ছাকৃত নিবনুৱা কি ?

*(d)* What is Break-Even income ? 1

সমতাভংগ আয় কি ?

*(e)* What is the full form of GST ? 1

GSTৰ সম্পূৰ্ণ ৰূপটো কি ?

*(f)* What is zero primary deficit ? 1

শূন্য প্ৰাথমিক ঘাটি কি ?

16. Mention *two* subject matters of Macroeconomics. 2

সমষ্টিবাদী অৰ্থবিজ্ঞানৰ *দুটা* বিষয়বস্তু উল্লেখ কৰা।

17. Mention *any two* types of leakages found in the Circular Flow of Income. 2

আয়ৰ চক্ৰীয় প্ৰৱাহত উদ্ভৱ হোৱা *যিকোনো দুটা* সুৰুঙাৰ বিষয়ে উল্লেখ কৰা।

18. What is investment multiplier ? Write the relationship between investment multiplier and MPC. 1+1=2

বিনিয়োগ গুণক কি ? বিনিয়োগ গুণক আৰু MPC-ৰ মাজৰ সম্পৰ্কটো লিখা।

19. Mention the *two* primary functions of money. 2

মুদ্ৰাৰ *দুটা* মুখ্য কাৰ্য উল্লেখ কৰা।

20. Mention *two* differences between revenue receipts and capital receipts. 2

ৰাজহ প্ৰাপ্তি আৰু মূলধনী প্ৰাপ্তিৰ মাজৰ *দুটা* পাৰ্থক্য লিখা।

21. State *two* sources of supply of foreign currency. 1+1=2

বৈদেশিক মুদ্ৰাৰ যোগানৰ *দুটা* উৎস উল্লেখ কৰা।

22. The value of MPC of an economy is 0·4. What amount of new investment is required to generate new income of Rs. 500 crore in the economy ? 4

এখন অৰ্থনীতিত MPC ৰ মান 0·4। অৰ্থনীতিখনত নতুনকৈ 500 কোটি টকা আয় প্ৰৱাহিত কৰাৰ বাবে কি পৰিমাণৰ নতুন বিনিয়োগৰ প্ৰয়োজন হ'ব ?

23. Explain *any two* fiscal measures to solve the problems of excess demand in an economy. 2+2=4

এখন অৰ্থনীতিৰ অত্যধিক চাহিদাৰ সমস্যা সমাধান কৰাৰ বাবে *যিকোনো দুটা* ৰাজকোষীয় ব্যৱস্থা ব্যাখ্যা কৰা।

24. Mention *four* factors causing disequilibrium in Balance of Payment of a country. 4

এখন দেশৰ পৰিশোধ সমতাত ভাৰসাম্যহীনতা সৃষ্টি কৰা *চাৰিটা* উপাদান উল্লেখ কৰা।

25. Write down *four* differences between Direct Tax and Indirect Tax. 4

প্ৰত্যক্ষ কৰ আৰু পৰোক্ষ কৰৰ মাজৰ *চাৰিটা* পাৰ্থক্য লিখা।

26. What is Budget Deficit ? What are the *three* types of Budgetary Deficit ? 1+3=4

বাজেট ঘাটি কি ? বাজেট ঘাটিৰ *তিনিটা* প্ৰকাৰ কি কি ?

27. Describe the Circular Flow of Income in a Three Sector Economy. 6

এখন তিনিটা খণ্ডযুক্ত অৰ্থনীতিৰ আয়ৰ চক্ৰীয় প্ৰৱাহৰ বিৰৰণ দিয়া।

*Or / অথবা*

Explain the Expenditure Method of calculating Gross Domestic Product (GDP). 6

মুঠ ঘৰুৱা উৎপাদন গণনাৰ ব্যয় পদ্ধতিটো ব্যাখ্যা কৰা।

28. Explain the process of credit creation by commercial banks. 6

বাণিজ্যিক বেংকৰ ঋণ সৃষ্টিৰ প্ৰক্ৰিয়াটো ব্যাখ্যা কৰা।

*Or / অথবা*

Describe the Quantitative methods adopted by the Central Bank to control credit created by commercial banks. 6

বাণিজ্যিক বেংকে সৃষ্টি কৰা ঋণ নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় বেংকে গ্ৰহণ কৰা পৰিমাণগত পদ্ধতিটো আলোচনা কৰা।

———— × ————